নিশ্চয় তোমালোকৰ প্ৰতিপালক অত্যন্ত লজ্জাশীল, পৰম দানশীল। বান্দাই তেওঁৰ ওচৰত কিবা বিচাৰি হাত পাতিলে, তেওঁ সেই হাত খালী ঘূৰাই দিয়াত লজ্জাবোধ কৰে।

ছালমান ৰাদ্বিয়াল্লাহু ‘আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছে: ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে: "নিশ্চয় তোমালোকৰ প্ৰতিপালক অত্যন্ত লজ্জাশীল, পৰম
দানশীল। বান্দাই তেওঁৰ ওচৰত কিবা বিচাৰি হাত পাতিলে, তেওঁ সেই হাত খালী ঘূৰাই দিয়াত লজ্জাবোধ কৰে।"
[হাছান] [(আবু দাঊদ, তিৰমিজী, ইবনে মাজাহ)]

দুআ কৰাৰ সময়ত দুয়ো হাত উত্তোলন কৰিবলৈ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে উৎসাহিত কৰিছে। লগতে তেখেতে জনাইছে যে, মহান আল্লাহ অত্যন্ত লজ্জাশীল। বান্দাই যেতিয়া কোনো এনেকুৱা কাম কৰে, যি কাম কৰিলে তেওঁ আনন্দিত হয়, লগতে বান্দাই যেতিয়া তেওঁৰ অসন্তুষ্টিমূলক কামৰ পৰা বিৰত থাকে, তেতিয়া তেওঁ তাক প্ৰদান কৰা বন্ধ নকৰে। তেওঁ অত্য়ন্ত দানশীল, যিয়ে নিবিচৰাকৈয়ে প্ৰদান কৰে, তেওঁৰ ওচৰত বিচাৰিলে তেওঁ প্ৰদান নকৰাকৈ থাকিবনে? মুমিন বান্দাই যেতিয়া দুয়ো হাত তুলি তেওঁৰ ওচৰত প্ৰাৰ্থনা কৰে, তেতিয়া তেওঁ সেই হাত খালী অৱস্থাত ঘূৰাই দিয়াত লজ্জাবোধ কৰে।

http://sunnah.global/hadeeth/as/show/5499